# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-9-2026
**Time :** 1845 PM

## *Assamese Evening Bulletin*
## Headlines
**:::::::::::::::::::**

১। ১৭ ছেপ্তেম্বৰৰ পৰা মাহজোৰা কাৰ্যসূচীৰে বিজেপিৰ **সেৱা সংকল্প অভিযান**।

২। নগাঁও লোকসভা সমষ্টিৰ আসন্ন উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ তৎপৰতা অব্যাহত। ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী ঘোষণা।

৩। নতুন দিল্লীৰ ভাৰত মণ্ডপমত কাইলৈ অষ্টাদশ ব্ৰিকছ্ সন্মিলন।

৪। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত দুটা সংবাদ মাধ্যমৰ বিৰুদ্ধে ফাষ্টট্ৰেক আদালতৰ তদন্তৰ নিৰ্দেশ।

**আৰু**

৫। জুনিয়ৰ এছিয়া কাপ হকীৰ ছেমি ফাইনেলত মালয়েছিয়াৰ বিৰুদ্ধে ভাৰতৰ ৩-১ গলৰ ব্যৱধানত জয়লাভ।

০০০০০০

বিজেপিৰ বৰ্ধিত ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হয়। এই বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া আৰু অসম প্ৰভাৰী তথা ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক হৰিশ দ্বিবেদী উপস্থিত থাকে। সভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ ভিতৰত, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সংসদীয় ৰাজনীতিত ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে অসমতো অহা ১৭ ছেপ্তেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ **সেৱা সংকল্প অভিযান- জনসেৱাই নাৰায়ণ সেৱা** শীৰ্ষক মাহজোৰা কাৰ্যসূচী ৰূপায়ণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই কাৰ্যসূচী সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়-

(বাইট ঃ ড০ শৰ্মা)

এই অভিযানৰ প্ৰথম কাৰ্যসূচী হিচাপে ১৭ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীৰ জন্ম দিনত আশীৰ্বাদৰ বন্তি শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ইয়াৰ পিছত পৰ্যায়ক্ৰমে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰক্তদান শিবিৰ, স্বাস্থ্য সেৱামূলক কাৰ্যসূচী, স্বচ্ছতা অভিযান, যুৱ ছাত্ৰসকলৰ বাবে বিভিন্ন প্ৰতিযোগিতা আৰু সামাজিক সচেতনতা বৃদ্ধিৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হ'ব। ইপিনে ১৯ ছেপ্তেম্বৰত জুবিন গাৰ্গৰ স্মৃতিত ৰাজ্যৰ বিভিন্ন বিজেপি কাৰ্যালয় আৰু নিৰ্ধাৰিত

স্থানত ৰক্তদান কাৰ্যসূচী অনুষ্ঠিত কৰি শিল্পীগৰাকীৰ প্ৰতি ৰাজ্যিক বিজেপিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিয়ে।

ooooo

নগাঁও লোকসভা সমষ্টিৰ আসন্ন উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে তৎপৰতা অব্যাহত ৰাখিছে। আজি ভাৰতীয় জনতা পাৰ্টীয়ে নগাঁও জিলাৰ জিলা আয়ুক্ত পদৰ পৰা শেহতীয়াকৈ স্বেচ্ছাই অৱসৰ গ্ৰহণ কৰা দেৱাশিস শৰ্মাৰ নাম প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। দলটোৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিয়ে তেওঁৰ প্ৰাৰ্থিত্বত অনুমোদন জনায়। এ আই ইউ ডি এফ দলে ইতিমধ্যে ৰেজাউল কৰিম চৰকাৰৰ নাম দলীয় প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। সমষ্টিটোত কংগ্ৰেছ দলেও দুই-এদিনতে দলীয় প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ সম্ভাৱনা আছে।

উল্লেখযোগ্য নগাঁও লোকসভা সমষ্টিৰ নিৰ্বাচনৰ বাবে যোৱা সপ্তাহত অধিসূচনা জাৰি কৰা হয়। অহা ৬ অক্টোবৰত ভোটগ্ৰহণ হ'বলগীয়া এই নিৰ্বাচনৰ বাবে ইচ্ছুক প্ৰাৰ্থীসকলে অহা ১৬ ছেপ্টেম্বৰ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। ৯ অক্টোবৰত এই নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব। নগাঁও সমষ্টিৰ লগতে দেশৰ পাঁচটা বিধানসভা সমষ্টিতো নিৰ্বাচন অনুষ্ঠিত হ'ব। এই সমষ্টিকেইটা হ'ল তামিলনাডুৰ মাদুৰন্তকম আৰু ধাৰাপুৰম, পশ্চিম বংগৰ ৰেজিনগৰ আৰু নন্দীগ্ৰাম আৰু পুডুচেৰীৰ থাট্টানচাৱড়ি।

ooooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত কাইলৈ আৰম্ভ হ'বলগীয়া অষ্টাদশ ব্ৰিকছ শীৰ্ষ সন্মিলনৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। সন্মিলনৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন, চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিং, দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চিৰিল ৰামফোছা, ইজিপ্তৰ ৰাষ্ট্ৰপতি আব্দুল ফটাহ অল ছিছি, ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰাবোৱো ছুবিয়াণ্টো, ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ন, আবুধাবিৰ যুৱৰাজ শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ অল নাহয়ানকে ধৰি আগশাৰীৰ নেতাসকলক প্ৰতিনিধিত্ব কৰিব। ভাৰতৰ অধ্যক্ষতাত হ'বলগীয়া এই শীৰ্ষ সন্মিলনৰ মূল বিষয়বস্তু হৈছে- স্থিতিস্থাপকতা, উদ্ভাৱন সহযোগিতা আৰু বহনক্ষমতাৰ বাবে নিৰ্মাণ।

সৰ্বাত্মক গোলকীয় প্ৰশাসন আৰু বহুত্ববাদৰ সুদৃঢ়কৰণ বিষয়ক ব্ৰিকছ সদস্য-ৰাষ্ট্ৰৰ ৰুদ্ধদ্বাৰ বৈঠকেৰে কাইলৈ এই সন্মিলন আৰম্ভ হ'ব। ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলে ভাৰত মণ্ডপমত আয়োজিত ভাৰত ইন'ভেটছ প্ৰদৰ্শনীও পৰিদৰ্শন কৰিব। ইয়াৰ পাছত তেওঁলোকে যৌথ গছপুলি ৰোপণ কাৰ্যসূচীত ভাগ ল'ব। তেওঁলোকে লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আয়োজন কৰা নৈশ ভোজমেলত অংশ ল'ব। প্ৰধানমন্ত্ৰী মোদী এই সন্মিলনত ভাগ লোৱাৰ সুযোগতে ব্ৰিকছ সদস্যৰাষ্ট্ৰৰ নেতাসকলৰ সৈতে এলানি দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। শ্ৰীমোদীয়ে দেওবাৰে ব্ৰিকছ সহযোগী ৰাষ্ট্ৰৰ নেতা আৰু আমন্ত্ৰিত প্ৰতিনিধিবৰ্গক আদৰণি জনাব।

ooooooooo

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত ন্যায়াধীশ শৰ্মীলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত প্ৰবাসী অসমীয়াৰ সাক্ষ্য প্ৰদান প্ৰক্ৰিয়া অব্যাহত আছে। আজি তৃতীয়গৰাকী প্ৰবাসী অসমীয়া প্ৰতিম লহকৰ ফাষ্টট্ৰেক আদালতত উপস্থিত হৈ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত সাক্ষ্য প্ৰদান কৰে। আজি ফাষ্টট্ৰেক আদালতে দুটা সংবাদ মাধ্যমৰ বিৰুদ্ধে তদন্তৰ নিৰ্দেশ জাৰি কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত প্ৰতীম লহকৰে দণ্ডাধীশৰ আগত দিয়া ভাষ্যৰ লিপিবদ্ধ প্ৰতিলিপি সামাজিক মাধ্যমত প্ৰকাশ কৰাৰ বাবে আদালতে সংবাদমাধ্যম দুটাৰ বিৰুদ্ধে এই তদন্তৰ

নির্দেশ জাৰি কৰিছে। আদালতে সংশ্লিষ্ট সংবাদমাধ্যম দুটাই ন্যায়িক প্ৰক্ৰিয়াত হস্তক্ষেপ কৰা বুলি মন্তব্য কৰে। প্ৰবাসী অসমীয়া প্ৰতীম লহকৰে দণ্ডাধীশৰ আগত দিয়া ভাষ্যৰ লিপিবদ্ধ প্ৰতিলিপি সংবাদমাধ্যমে কেনেকৈ লাভ কৰিলে সেই সন্দৰ্ভত অপৰাধ অনুসন্ধান বিভাগক তদন্ত কৰি প্ৰতিবেদন দাখিল কৰাৰ লগতে আইন অনুসৰি ব্যৱস্থা ল'বলৈ আদালতে নির্দেশ দিয়ে। উল্লেখযোগ্য যে, সংবাদমাধ্যম দুটাই দণ্ডাধীশৰ ছীল-মোহৰসহ প্ৰবাসী অসমীয়া প্ৰতীম লহকৰে দণ্ডাধীশৰ আগত প্ৰদান কৰা ভাষ্যৰ লিপিবদ্ধ প্ৰতিলিপি সামাজিক মাধ্যমত প্ৰকাশ কৰিছিল।

০০০০০

ভাৰত-ভূটান সীমান্তবৰ্তী অঞ্চলৰ নিবনুৱা যুৱক-যুৱতীসকলক স্বাৱলম্বী কৰি গঢ়ি তোলাৰ লক্ষ্যৰে তামুলপুৰ পাৰ্কৰ ৰাজহুৱা প্ৰেক্ষাগৃহত সশস্ত্ৰ সীমাবলৰ উদ্যোগত আজিৰে পৰা ৩০ দিনীয়া মৌলিক ইলেকট্ৰিচিয়ান প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হৈছে। অৰ্ধ শতাধিক নিবনুৱা যুৱকে অংশগ্ৰহণ কৰা এই বিশেষ দক্ষতা বিকাশ শিবিৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে বেটেলিয়নটোৰ কামাণ্ডেণ্ট এইছ কে গুপ্তাই।

(বাইট ঃ গুপ্তা)

কেৰিয়াৰ ইনফ'ৰ ব্যৱস্থাপনা সঞ্চালক অমৰ সিং ব্ৰহ্মাৰ লগতে এছ এছ বিৰ বিষয়াবৰ্গ আৰু জোৱানসকলৰ উপস্থিতিত অনুষ্ঠিত এই কাৰ্যসূচীত সীমান্তৱৰ্তী পিছপৰা অঞ্চলৰ প্ৰতিভাবান যুৱ প্ৰজন্মক উপযুক্ত শিক্ষা প্ৰদান কৰি ভৱিষ্যতে আত্মনিৰ্ভৰশীল হোৱাৰ বিভিন্ন দিশ সন্দৰ্ভত অৱগত কৰোৱা হয়।

০০০০০

কোচবিহাৰৰ মধুপুৰ সত্ৰত কাইলৈ দিনজোৰা কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি পালন কৰা হ'ব। মধুপুৰ সত্ৰ আৰু উত্তৰ বংগৰ সত্ৰ আৰু নামঘৰ সমূহৰ সমন্বয়ৰক্ষী সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে জানিবলৈ দিয়া অনুসৰি কাইলৈ প্ৰভাতি বন্দনাৰে কাৰ্যসূচী আৰম্ভ হ'ব। ইয়াৰ পাছত ভাগৱত পাঠ, নাম প্ৰসংগ আৰু ধৰ্মালোচনী সভা অনুষ্ঠিত হ'ব। ধৰ্মালোচনী সভাত কোচবিহাৰৰ কেইবাজনো বিশিষ্ট নাগৰিক আৰু উত্তৰ বংগৰ বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰসকল উপস্থিত থাকিব। বিয়লি আইসকলৰ থিয়নামৰ পাছত সন্ধ্যা বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ সামৰণি পৰিব।

০০০০০০

দেশজুৰি কাইলৈ চলিত বৰ্ষৰ তৃতীয়খন ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। লোক আদালতৰ জৰিয়তে দেৱানী, আপোচবিহীন ফৌজদাৰী, চেক বাউন্স, বৈবাহিক-পাৰিবাৰিক বিবাদ, মটৰ দুৰ্ঘটনাৰ ক্ষতিপূৰণ, বেংকৰ ঋণ আৰু বিদ্যুৎ সম্পৰ্কীয় গোচৰৰ লগতে প্ৰাক আদালত পৰ্যায়ত বিবাদ নিষ্পত্তি কৰা হ'ব। ইয়াৰ অংশ হিচাপে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ফেকামাৰীস্থিত জিলা আদালতৰ চৌহদত কাইলৈ পুৱা ৯ বজাৰ পৰা ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এইবেলি জিলাখনত প্ৰায় ২ সহস্ৰাধিক গোচৰ নিষ্পত্তিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে বিভিন্ন গোচৰৰ জৰিয়তে প্ৰায় ২০ লাখ টকা জমা হৈছে বুলি জিলা আইনসেৱা বিষয়ৰ প্ৰাধিকৰণৰ উচ্চবৰ্গৰ সহায়ক মেহেবুবুল ইছলাম খিলিজিয়ে প্ৰকাশ কৰিছে।

০০০০০০০

শিলচৰ পৌৰ নিগম নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন। আজি ৪২ টা ৱাৰ্ডৰ মনোনীত প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ দাখিল কৰে। বিজেপি মিত্ৰজোঁটৰ লগতে কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলেও বিশাল

শোভাযাত্ৰাৰে মনোনয়ন পত্ৰ দাখিল কৰা পৰিলক্ষিত হয়। মনোনীত প্ৰাৰ্থীসকলে দলীয় কৰ্মী আৰু শুভাকাংক্ষীসকলে হাতে হাতে দলীয় পতাকা লৈ শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। অহা ১৪ ছেপ্তেম্বৰত প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব আৰু ১৭ ছেপ্তেম্বৰত বিয়লি তিনি বজা পৰ্যন্ত প্ৰাৰ্থীসকলে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। শিলচৰ পৌৰ নিগমৰ নিৰ্বাচন অহা ৩ অক্টোবৰত অনুষ্ঠিত হ'ব।

০০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ই ভি এম আৰু ভি ভি পেটৰ প্ৰথম পৰ্যায়ৰ ৰেণ্ডমাইজেছন আজি সমষ্টিটোৰ অন্তৰ্গত দুয়োখন জিলাৰ সংশ্লিষ্ট জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। জিলা আয়ুক্ত আৰণ্যক শইকীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত এই প্ৰক্ৰিয়াৰ জৰিয়তে সমষ্টি ভিত্তিকভাৱে ধিং, ৰূপহীহাট, চামগুৰি, নগাঁও, বটদ্ৰৱা আৰু ৰহা বিধানসভা সমষ্টিৰ বাবে ই ভি এম আৰু ভি ভি পেটসমূহ কম্পিউটাৰাইজড লটাৰীৰ জৰিয়তে আৱণ্টন কৰা হয়। সকলো মূল ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত সম্পন্ন এই কাৰ্যসূচীত অতিৰিক্ত জিয়া আয়ুক্ত গোপাল শৰ্মা, নিৰ্বাচন বিষয়া প্ৰতীশা দত্ত আৰু সহকাৰী আয়ুক্ত শেখৰন ফুকন উপস্থিত থাকে।

উল্লেখযোগ্য যে, সমষ্টিটোৰ উপ-নিৰ্বাচন সন্দৰ্ভত ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ সভাপতিত্বত স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ সৈতে কালি এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত নিৰ্বাচনী অধিসূচনা, আদৰ্শ আচৰণ বিধি আৰু নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত নিৰ্দেশনাসমূহ ৰাজনৈতিক দলসমূহক অৱগত কৰা হয়। এই বৈঠকতে নিৰ্বাচনী ব্যয় পৰ্যৱেক্ষণৰ বিভিন্ন দিশ সন্দৰ্ভতো আলোচনা কৰা হয়। ভোটগ্ৰহণৰ দিনা পৰিচয় নিশ্চিতকৰণৰ বাবে ইউ পি আই চিৰ উপৰি নিৰ্ধাৰিত ১২ টা বিকল্প নথিৰ যিকোনো এখন নথি ভোটদাতাই প্ৰদৰ্শন কৰিব পাৰিব বুলিও ৰাজনৈতিক দলমসূহৰ প্ৰতিনিধিসকলক অৱগত কৰা হয়। একেদৰে মনোনয়নৰ ক্ষেত্ৰত প্ৰাৰ্থীসকলক স্পষ্ট ফটো দাখিল কৰিবলৈ পৰামৰ্শ দিয়া হয়। আজিৰেপৰা হ'বলগীয়া ই ভি এমৰ ৰেণ্ডমাইজেছন আৰু কমিশ্যনিং প্ৰক্ৰিয়াৰ সময়ত প্ৰাৰ্থী অথবা অনুমোদিত প্ৰতিনিধিৰ উপস্থিতিৰ গুৰুত্বৰ বিষয়েও বৈঠকত অৱগত কৰা হয়।

০০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ হামেৰণ স্থিত জিলা আয়ুক্তৰ কাৰ্য্যালয়ত আজি ৰাজ্যখনৰ লোকপিয়ল সঞ্চালক বিশ্বজিৎ পেগু  উপস্থিত হয়। জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত অনুষ্ঠিত পৰ্য্যালোচনা সভাত অংশ গ্ৰহণ কৰি তেওঁ লোকপিয়লৰ বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰাৰ লগতে সাংবাদিক সকলৰ সৈতেও মত বিনিময় কৰে। ইয়াৰ লগতে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ লোকপিয়ল সন্দৰ্ভতো মত প্ৰকাশ কৰে।

০০০০

নিচামুক্ত ভাৰত অভিযানৰ অধীনত নিচামুক্ত ভাৰত সংকল্প পদযাত্ৰা সফলভাৱে আয়োজন কৰাৰ উদ্দেশ্যে আজি শ্ৰীভূমিৰ জিলা আয়ুক্তৰ সন্মিলন কক্ষত এখন জিলা পৰ্য্যায়ৰ সমন্বয় সভা  অনুষ্ঠিত হয়। সভাত নিচামুক্ত সমাজ গঢ়ি তোলাৰ উদ্দেশ্যে সমাগত নিচামুক্ত ভাৰত সংকল্প পদযাত্ৰাৰ সামগ্ৰীক পৰিকল্পনা, প্ৰস্তুতি, সমন্বয় আৰু ৰূপায়ন সম্পকীয় বিভিন্ন বিষয়ত বিস্তৃতভাৱে আলোচনা কৰা হয়। সভাত নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰৰ বিৰুদ্ধে জনসচেতনতা বৃদ্ধি কৰাৰ লগতে বিশেষকৈ যুৱ সমাজক নিচাৰ ক্ষতিকাৰক প্ৰভাৱৰ পৰা আঁতৰাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। পদযাত্ৰাক সফল কৰি তোলাৰ বাবে সংশ্লিষ্ট সকলো বিভাগ, প্ৰতিষ্ঠান, স্বেচ্ছাসেৱী সংগঠন তথা সমাজৰ বিভিন্ন স্তৰৰ লোকৰ সক্ৰিয় অংশগ্ৰহণৰ ওপৰতো বিশেষ গুৰুত্ব দিয়া হয়।

০০০০০০

সমাগত মিছিং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন, ২০২৬ ৰ বাবে ২৬-বুৰুলী সমষ্টিৰ চুড়ান্ত ভোটাৰ তালিকা আজি বিয়লি ৩ বজাত তেজপুৰস্থিত শোণিতপুৰৰ জিলা উন্নয়ন আয়ুক্তৰ কাৰ্য্যালয়ৰ কক্ষত আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হয়। অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ নিৰ্দেশনাত যোৱা ১ জানুৱাৰীক যোগ্যতা অৰ্জনৰ তাৰিখ হিচাপে গণ্য কৰি মিছিং স্বায়ত্ব শাসিত পৰিষদৰ নিয়ম ২০০৫ৰ নিয়ম -১৬ ৰ অধীনত এই চুড়ান্ত ভোটাৰ তালিকাখন প্ৰস্তুত কৰা হয়। প্ৰকাশিত চৰকাৰী তথ্য অনুসৰি ২৬-বুৰুলী সমষ্টিৰ অন্তৰ্গত মুঠ ১৭ টা ভোটগ্ৰহণ কেন্দ্ৰ আৰু ২৩ খন অধিসূচিত মিছিং গাওঁ আছে। পূৰ্বৰ খচৰা ভোটাৰ তালিকাত তিনিহাজাৰ ৭০৫ গৰাকী পুৰুষ আৰু তিনিহাজাৰ ৬৪৪ গৰাকী মহিলাকে ধৰি মুঠ ৭ হেজাৰ ৩৪৯ গৰাকী ভোটাৰ আছিল। ইফালে আজি প্ৰকাশিত চুড়ান্ত ভোটাৰ তালিকাত ভোটাৰৰ সংখ্যা বৃদ্ধি পাই ৭ হেজাৰ ৫০৪ গৰাকী হৈছেগৈ। জনসাধাৰণে নিজৰ নাম অসম ৰাজ্যিৰ নিৰ্বাচন আয়োগৰ অফিচিয়েল ৱেবছাইট **ermssec.assam.gov.in** ত নিৰ্বাচন আয়োগে প্ৰদান কৰা EPIC নম্বৰৰ জৰিয়তে পৰীক্ষা কৰিব পাৰিব। ইয়াৰ উপৰি বেৱছাইটৰ চিটিজেন কৰ্ণাৰৰ পৰা নিজৰ ভোটগ্ৰহণ কেন্দ্ৰৰ ভোটাৰ তালিকা ডাউনলোড কৰিব পাৰিব। এই তালিকাখন শোণিতপুৰ জিলাৰ চৰকাৰী ৱেবচাইট **sonitpur.gov.in** টো ৰাইজৰ সুবিধাৰ্থে উপলব্ধ কৰা হৈছে বুলি শোণিতপুৰৰ জিলা আয়ুক্তৰ এখন প্ৰেছ্ বিজ্ঞপ্তিত প্ৰকাশ কৰা হৈছে।

০০০০০০

ভাৰতে জুনিয়ৰ এছিয়া কাপ হকীৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। আজি চীনৰ ম'কিত অনুষ্ঠিত ছেমি ফাইনেলত মালয়েছিয়াৰ বিৰুদ্ধে ভাৰতে ৩-১ গলৰ ব্যৱধানত জয়লাভ কৰে। ভাৰতৰ হৈ অধিনায়ক অন্মোল এক্কাই দুটা আৰু সুখবিন্দৰে তৃতীয়টো গ'ল দিয়ে। প্ৰতিযোগিতাখনত পাঁচবাৰৰ চেম্পিয়ন ভাৰতে পৰহিলৈ দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে ফাইনেলত অৱতীৰ্ণ হ'ব। দক্ষিণ কোৰিয়াই ছেমিফাইনেলত ইতিমধ্যে পাকিস্তানক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছে।

০০০০০০

সমাপ্ত